**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিৰোধী পক্ষ্যৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজিও ব্যাহত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কৰ্তব্য ভৱন-৩ উদ্বোধন কৰে।

৩। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উচ্চ শিক্ষা প্ৰতিষ্ঠানত ছোৱালীৰ নাম ভৰ্তি বৃদ্ধিৰ বাবে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভাৰম্ভ কৰে।

৪। উত্তৰাখণ্ডৰ কালি ডাৱৰ বিস্ফোৰণ হোৱা এলেকা সমূহত যুদ্ধাকালীন ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান চলাই থকা হৈছে। আৰু

৫। ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি ৰেপ'ৰেট ৫ দশমিক ৫ শতাংশত অপৰিবৰ্তিত ৰাখিছে।

০০০০০০

বিৰোধী পক্ষ্যৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজিও ব্যাহত হয়। কাৰ্যক্ৰমণিকা প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ বৰ্ষৰ বাবে মণিপুৰৰ

আনুমানিক আয় আৰু ব্যয়ৰ প্ৰাকলন সদনত দাখিল কৰে। কেন্দ্ৰীয় **মন্ত্ৰী** ড০ জিতেন্দ্ৰ সিঙেও ২০২৩-৩৪ বৰ্ষৰ বাবে কৰ্মযোগী ভাৰতৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে। সেইসময়ত সদন পৰিচালনাৰ দায়িত্বত থকা দিলীপ শইকীয়াই শূন্যকালৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ একাংশ সাংসদে সদনৰ মজিয়ালৈ উঠি যায় আৰু ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন সন্দৰ্ভত আলোচনাৰ দাবী কৰি ধববনি দিবলৈ ধৰে। শ্ৰী শইকীয়াই কয়, যে প্ৰতিদিনে সদনৰ কাম-কাজ বিঘ্নিত কৰা আৰু সদনৰ মজিয়ালৈ পোষ্টাৰ-প্লে কাৰ্ড লৈ অহাটো সঠিক নহয়। তেওঁ বিৰোধী পক্ষ্যৰ সদস্যসকলক ইতিবাচক ভূমিকা পালন কৰিবলৈ আৰু সদনৰ কাম-কাজ চলাই নিয়া সহযোগ কৰিবলৈ আহ্বান জনায়। সদনৰ কাৰ্যক্ৰমনিকা বিঘ্নিত কৰাৰ দৰে সদনৰ গৰিমা লাঘব কৰে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী শইকীয়াই প্ৰতিবাদৰত সদস্যসকলক নিজ নিজ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে অনুৰোধ জনাই যদিও তেওঁৰ চেষ্টা অথলে যায়। এনে পৰিস্থিতিৰ মাজতে তেওঁ সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত  সদন মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষই ১৯৪৫ চনত জাপানৰ হিৰ'ছিমা আৰু নাগাছাকিত সংঘটিত পাৰমানৱিক বোমা বিস্ফোৰণৰ বলি হোৱা লোকসকলৈ শ্ৰদ্ধা নিবেদন কৰে। তেওঁ কয় যে ৮০ বছৰ পূৰ্বে ১৯৪৫ চনত ৬ আৰু ৯ আগষ্টত হিৰ'ছিমা আৰু নাগাছাকিত পাৰমাণৱিক বোমাৰে আক্ৰমণ চলোৱা হৈছিল। এই বিস্ফোৰণত ভালেসংখ্যক লোকে প্ৰাণ হেৰুৱাইছিল আৰু অগণন লোক জীৱনলৈ ঘূণীয়া হৈছিল। শ্ৰী বিৰলাই পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ নাশ কৰিবলৈ আৰু গোলকীয় শান্তি সুনিশ্চিত কৰাৰ বাবে সমূহীয়াভাৱে কাম কৰাৰ প্ৰতি সদনৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

সদনো এই বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকলৰ সন্মাৰ্থে কিছুসময় মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে অধ্যক্ষই প্ৰশ্নোত্তৰ কালৰ কাম আগুৱাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ সদস্যসকলে ভোটাৰ তালিকাত বিশেষ বিস্তৃত সংশোধন সম্পৰ্কে আলোচনাৰ দাবী তুলি ধ্বনি দিবলৈ ধৰে।

ৰাজ্যসভাতো আজি অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। দিনৰ ১১ বজাত ৰাজ্যসভা নিলিত হোৱাৰ সময়ত সদনে কালি নতুন দিল্লীত দেহাৱসান ঘটা প্ৰাক্তন সদস্য সত্যপাল মালিকলৈ শ্ৰদ্ধা নিবেদন কৰে। উপসভাপতি হৰিবংশে কয়, যে শ্ৰী মালিকে ৰাজ্যসভাত উত্তৰ প্ৰদেশত দুবাৰকৈ প্ৰতিনিধিত্ব কৰিছিল। সত্যপাল মালিকে বিহাৰ, গোৱা আৰু জম্মু-কাশ্মীৰকে ধৰি কেইবাখনো ৰাজ্যৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল বুলি উপসভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। হৰিংশে কয়, যে সত্যপাল মালিকৰ বিয়োগত দেশে অগৰাকী প্ৰবীণ ৰাজনীতিবিদ আৰু দক্ষ্য সাংসদক হেৰুৱালে। ইয়াৰ পাছতে উপসভাপতিগৰাকীয়ে বিভিন্ ৰাজনৈতিক দলৰ পৰা ৩৫খন সভাস্থগিতকৰণৰ জাননী লাভ কৰা বুলি আৰু বিভিন্ন নিয়মৰ দোহাইদি জাননীসমূহ প্ৰত্যাখ্যান কৰা বুলি ঘোষণা কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ সাংসদসকলে নিজৰ নিজৰ বিষয় উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। হৰিংশে কয়, যে শূন্যকালত কেইবাগৰাকীও সদস্যই ৰাজহুৱা গুৰুত্বৰ বিষয় উত্থাপন কৰিব বিচাৰিছে আৰু সদনৰ কাম-কাজ বিঘ্নিত কৰাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। ইয়াৰ পাছতো অচলাৱস্থা অব্যাহত থকাত উপসভাপতিয়ে সদনৰ কাক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হয়।

০০০০০

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৰ্তব্য পথত কৰ্তব্য ভৱন-৩ উদ্বোধন কৰে। চেন্ট্ৰেল ভিষ্টা প্ৰকল্পৰ সম্প্ৰসাৰণৰ অংশ হিচাপে এই কৰ্তব্য ভৱন-৩ মুকলি কৰা হ'য়। আকাশবাণীৰ দিল্লীৰ সংবাদদাতাই জনোৱা মতে, দেশৰ প্ৰশাসনিক**

প্ৰক্ৰিয়াৰ কাম-কাজসমূহ সু-সংগঠিত কৰা তথা শাসন ব্যৱস্থাক অধিক সক্ষম কৰি তোলাৰ লক্ষ্যৰে নিৰ্মাণ কৰি থকা ভালেমান সামূহিক কেন্দ্ৰীয় সচিবালয় ভৱনৰ ভিতৰত কৰ্তব্য ভৱন-৩ হৈছে প্ৰথমটো এনে ভৱন।

00000

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উচ্চ শিক্ষা প্ৰতিষ্ঠানত ছোৱালীৰ নামভৰ্তি বৃদ্ধিৰ বাবে আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা নামৰ মাহিলি বিত্তীয় সাহায্য প্ৰদান আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰে। এই উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে প্ৰ-পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰে। আজি উচ্চতৰ শিক্ষা আৰু SCERTৰ বাবে আবেদন পত্ৰ বিতৰণ কৰা হৈছে। মাধ্যমিক শিক্ষাৰ বাবে ৭, ৮ আৰু ৯ আগষ্টত আবেদন পত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা, স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক দহ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল। ২০২৫-২৬ বৰ্ষত ৪ লাখ

ছাত্ৰীক নিযুত মইনা আঁচনিত সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ, শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

০০০০০০

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ ধৰালি অঞ্চলত কালি খীৰ গংগা নদীৰ অৱবাহিকাৰ উজনি অংশত হোৱা ডাৱৰ বিস্ফোৰণৰ পৰিণতিত বন্যাক্ৰান্ত লোকসকলৰ বাবে আৰম্ভ হোৱা উদ্ধাৰ অভিযান পূৰ্ণ গতিত চলি আছে। ভাৰতীয় সেনা, ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী, জিলা প্ৰশাসন আৰু আন স্থানীয় সহায়কাৰী দলসমূহে এই বিপদৰ সময়ছোৱাত উদ্ধাৰ অভিযানত ক্ষীপ্ৰভাৱে সহায় আগবঢ়াইছে। এতিয়ালৈকে ১৩০ জনতকৈও অধিক বন্যাক্ৰান্ত লোকক উদ্ধাৰ কৰা হৈছে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে হেলিকপ্টাৰ যোগে ধৰালি অঞ্চলৰ বৰ্তমানৰ পৰিস্থিতিৰ বুজ লয় আৰু ৰাজ্যৰ জৰুৰীকালীন কাৰ্য পৰিচালনা কেন্দ্ৰৰ পৰা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ জনাই যে ভাৰত-তীববতীয় সীমা আৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী, ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী আৰু স্থানীয় বাসিন্দাসকলে যোগাযোগ ৰক্ষা কৰি উদ্ধাৰ অভিযানত অংশ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী শ্ৰী ধামিয়ে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি গোটেই নিশা চলা উদ্ধাৰ অভিযানৰ বিষয়ে জানিবলৈ দিয়া হৈছে আৰু

লগতে বৰ্তমানলৈকে উদ্ধাৰ হোৱা লোকসকলৰ বিষয়েও অৱগত কৰা হৈছে। এই অঞ্চলত বৰ্তমান উপলব্ধ অতি প্ৰয়োজনীয় সেৱা আৰু সম্পদসমূহৰ বিষয়েও প্ৰধানমন্ত্ৰীক জানিবলৈ দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীৰ সহযোগিতাৰ বাবে শ্ৰী ধামিয়ে তেওঁক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু লগতে উদ্ধাৰকাৰী দলসমূহৰ সৈতে তেওঁ নিৰন্তৰভাৱে যোগাযোগ ৰক্ষা কৰি আছে বুলিও জানিবলৈ দিয়ে।

০০০০০০

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ ধৰালি অঞ্চলত কালি খীৰ গংগা নদীৰ অৱবাহিকাৰ উজনি অংশত হোৱা ডাৱৰ

০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ মুদ্ৰানিধি কিমিতিয়ে আজি ৰেপ'ৰেট অৰ্থাৎ বাণিজ্যিক বেংকসমূহে প্ৰতিভূতিৰ বিনিময়ত কেন্দ্ৰীয় বেংকৰ পৰা কম সময়ৰ বাবে ধাৰে লোৱা ধনৰ বাবদ দিবলগীয়া সুদৰ হাৰ ৫ দশমিক ৫ শতাংশ অপৰিবৰ্তিত ৰাখিছে।

০০০০

PM Kartavya Bhawan (06-08-2025, NSD.) 1340